# চি. আৰ. দাসৰ ঘৰত মহাত্মা গান্ধীৰ ঘৰত

১৯২১ চনত মহাত্মা গান্ধীয়ে তেওঁৰ অহিংস অসহযোগ আন্দোলন প্ৰচাৰ কৰিবৰ কাৰণে কলিকতালৈ আহিছিল।

প্ৰথমবাৰ গান্ধীয়ে কলিকতাৰ বিখ্যাত বেৰিষ্টাৰ চিত্তৰঞ্জন দাসৰ ঘৰত আলহী হয়। দাসে নিজৰ বেৰিষ্টাৰী ব্যৱসায় পৰিহাৰ কৰি মহাত্মাৰ আন্দোলনত যোগদান কৰিছিল।

হোষ্টেল আৰু কলেজৰ কিছুমান ছোৱালীয়ে মহাত্মাক চাবলৈ যাবলৈ স্থিৰ কৰিলো। কলেজ কৰ্তৃপক্ষৰ পৰা লবলগা অনুমতি ললো।

প্ৰথমদিনা আমি কলেজ ছুটী হোৱাৰ পিচতে কিছুমান ছোৱালীয়ে চিত্তৰঞ্জন দাসৰ ঘৰলৈ গলো। আমাক দ্বিতীয় মহলালৈ লৈ যোৱা হ'ল। এটা ডাঙৰ কোঠাত মহাত্মা বহি আছিল। কিছুমান ছাত্ৰীও তাতে বহি আছিল। আমাৰ দলটোৱে তাত লগ লগাত ছাত্ৰীৰ সংখ্যা এশমান হ'ল। সেইদিনা মহাত্মাই ছাত্ৰীক উদ্দেশ্য কৰি কথা কবলৈ বিচাৰিছিল। মহাত্মাই স্কুল-কলেজত সাময়িকভাৱে অসহযোগ কৰি অমাক দেশৰ স্বাধীনতা যুঁজত আত্মসমৰ্পণ কৰিবলৈ উপদেশ দিছিল। আমি তাত থাকোতেই ছয় বাজিছিল। সেই সময়তে কাঁহৰ এটা সৰু বাটিত গাখীৰৰ লগত পাউৰুটি মিলাই চিত্তৰঞ্জন দাসৰ সৰু জীয়েকে এখন

চামুচেৰে মহাত্মাক খাবলৈ দিছিল। মহাত্মাই সক চামুচখনেৰে অলপ অলপকৈ খাই আমাক উপদেশ দি আছিল।

ছয় বজাত হোষ্টেল সোমাব লাগিব বুলি জানি আমি তাৰ পৰা উঠি আহিলো; আমি উঠি অহাৰ কাৰণ মহাত্মাক বুজাই কোৱা হ'ল। দ্বিতীয়দিনা চিত্তৰঞ্জন দাসৰ ঘৰতে এখন ডাঙৰ মহিলাসভা বহিব বুলি আমাক জনালে আৰু সেই সভালৈ আমাক আহ্বান জনালে।

আমি কলেজৰ ছোৱালীয়ে পিচদিনা দুই বজাতে মহিলাৰ সভাত যোগদান কৰিবলৈ বুলি চিত্তৰঞ্জন দাসৰ ভৱনত উপস্থিত হলোগৈ। সেইদিনা সভা দাস ভৱনৰ চোহদত বহিছিল। সেই সভাত মহিলাৰ সংখ্যা খুব বেছি নাছিল। মহাত্মা গান্ধীয়ে প্ৰথমেই চিত্তৰঞ্জন দাসৰ সৰু জীয়েকক আৰু পি, কে ৰায়ৰ জীয়েকক ওচৰলৈ মাতি নি সকলো মহিলাক উদ্দেশ্য কৰি কৈছিল, "এই ছোৱালী দুজনীয়ে নিজৰ অলঙ্কাৰ গাৰপৰা খুলি স্বৰাজ-যজ্ঞৰ কাৰণে আহুতি দিছে। সকলো তিৰোতাকে এওঁ-বিলাকৰ দৰেই স্বৰাজ আন্দোলনত যোগদান কৰিবলৈ মই অনুৰোধ কৰিছো।"

মহাত্মাই কোৱা শেষ কৰাৰ লগে লগেই ছোৱালী দুগৰাকীয়ে নিজৰ গাৰপৰা সকলো অলঙ্কাৰ সোলোকাই মহাত্মাৰ হাতত দিলে। তেওঁবিলাকৰ গা অলঙ্কাৰ বিহীন, উকা হৈ পৰিল। আগতেই তেওঁবিলাকে টছৰৰ শাড়ী পৰিধান কৰিছিল, সেই সময়ত বোধকৰো খদ্দৰৰ শাড়ী ওলোৱা নাছিল। তাৰ পিচত মহাত্মাই সকলো মহিলাকে উদ্দেশ্য কৰি যাৰ যি দান কৰিবৰ ইচ্ছা, কৰিবলৈ কলে। ছাত্ৰীসকলৰ পৰা কিছু গহনা উঠা মোৰ মনত আছে।

মহাত্মা গান্ধীৰ বক্তৃতা শুনি সকলোৰে মন বিচলিত হৈ উঠিছিল। নিজৰ দেশক দাসত্বৰ শৃঙ্খলৰ পৰা মুক্ত কৰা উদ্দেশ্য

কৰিবলৈ ওলোৱা মহাত্মাৰ আন্দোলনত যোগদান কেনেকৈ কৰিব পৰা যায় তাকেই বোধকৰো অধিকাংশ মহিলাই চিন্তা কৰিছিল।

আমি কিছুমান ছাত্ৰীৰ পাঠত মন নবহা হ'ল, নিজ নিজ ঠাইলৈ পঢ়া এৰি গুচি যাবৰ ইচ্ছা গ'ল।

সেই বছৰতে মহাত্মাই অসমত ভ্ৰমণ কৰিবলৈ যোৱাৰ খবৰ জানি আমি কলেজৰপৰা গুচি আহিলো। মহাত্মা গান্ধী অসমলৈ আহিছিল তেওঁৰ লগত মহম্মদ আলি, চৌকট আলি ভাতৃদ্বয়ক লৈ। মহাত্মাৰ লগত তেওঁবিলাক দুজনক একেলগে দেখি মানুহৰ মনত নানা ভাবৰ উদয় হৈছিল। হিন্দু-মুছলমানৰ ভিতৰত বন্ধুভাবৰ সৃষ্টি দেখি উভয় ধৰ্ম্মৰ লোকৰ অন্তৰত মহান ভাবৰ উদ্ভৱ নোহোৱাকৈ থকা নাছিল। মহাত্মাই বিশ্বাস কৰিছিল-- ভাৰতৰ ভিতৰত হিন্দু আৰু মুছলমান ধৰ্ম্মাৱলম্বী লোকৰ সংখ্যাই বেছি। এই দুয়ো ধৰ্ম্মৰ লোকসকলে একেলগ হৈ ভাৰতৰ স্বাধীনতা যুদ্ধত যোগদান নকৰিলে ভাৰতে কেতিয়াও স্বাধীনতা অৰ্জ্জন কৰিব নোৱাৰে।

মহাত্মা গান্ধীয়ে ডিব্ৰুগড়লৈ যাওঁতে আমি পঢ়া-শুনা এৰি আহি ঘৰত আছিলো। যিদিনা মহাত্মাৰ ৰাজহুৱা সভা ডিব্ৰুগড়ত আহ্বান কৰা হৈছিল মোৰ মনত আছে, ঘৰৰ গৃহস্থসকলে গৃহিনীসকলক মহাত্মাৰ মিটিঙত যোগদান দিবলৈ বাধা দিয়া নাছিল। সেয়ে বোধকৰো প্ৰথম আমাৰ দেশত তিৰোতাসকলে ৰাজহুৱা সভাত যোগদান কৰিবলৈ সুযোগ লাভ কৰিছিল। সেইদিনা আমাৰ ঘৰত দেউতাৰ জ্বৰ উঠিছিল। গতিকে আয়ে সেই সভালৈ দেউতাক এৰি যাব নোৱাৰি বৰ দুখ কৰা মোৰ মনত পৰে। আমি বাকীবিলাকে মিটিঙলৈ গৈছিলো। তাত গৈ মই কি দেখিছিলো এতিয়াও মোৰ মনত ভালকৈ আছে। মহাত্মা গান্ধীৰ দুইকাষে দুই ভাই-ককাই, মহম্মদ আলি আৰু চৌকট আলি বহিছিল। সন্মুখত তৰুণৰাম ফুকনে থিয় দি মহাত্মাই হিন্দীতে দিয়া ভাষণ অসমীয়ালৈ ভাঙি গৈছিল।

পিচদিনা হাতিপুৰা ককাইদেৰে মোক আৰু আইক মহাত্মাৰ লগত দেখা কৰাবলৈ প্ৰসন্ন বৰুৱাৰ ঘৰলৈ লৈ গৈছিল। প্ৰসন্ন বৰুৱাৰ চাহৰ বাগিচা আছিল। মহাত্মা বৰুৱাৰ ঘৰত আলহী হৈছিল। মহাত্মাক দেখা কৰিবলৈ নানা সম্প্ৰদায়ৰ মানুহ আহিছিল। অসমত্ত ময়ে সেই সময়ত বি, এ, পাছ কৰিছিলো বুলি আৰু কলিকতাৰ পৰা মহাত্মাৰ আন্দোলনত যোগদান কৰিবৰ কৰণে আহিছিলো বুলি প্ৰসন্ন বৰুৱাই মোক মহাত্মাৰ লগত চিনাকি কৰি দিছিল। মহাত্মাই এজন মাৰোৱাৰীক তেতিয়াই মোৰ কথা কৈছিল “এই ছোৱালীজনীয়ে যেনেকৈ স্বৰাজ লাভ কৰা যুঁজত সহাৰি জনাব খুজিছে, আপোনালোকে অনুভব নকৰেনে এই অসহযোগ আন্দোলনত আপোনালোকৰ প্ৰত্যেক জনেই যোগদান কৰা উচিত বুলি?”

মহাত্মা গুচি যোৱাৰ পিচত, ডিব্ৰুগড়ত কংগেছ কমিটি গঠিত হ’ল। মোক তিৰোতা মানুহৰ শাখাত সম্পাদিকা পাতিলে। চহৰে-গাঁৱে মিটিং পাতি সকলো তিৰোতাকে মহাত্মাৰ অসহযোগ আন্দোলনৰ বিষয়ে বুজাই কোৱাৰ ভাৰ মোৰ ওপৰতে পৰিল।

মোৰ কাৰণে এখন ঘোঁৰাগাড়ী ঠিক কৰা হ’ল। সেই গাড়ীত কামালুদ্দিনক ভলণ্টিয়াৰ কৰি দিয়া হৈছিল। সেই বছৰত তেওঁ মেট্ৰিক পাছ কৰিছিল। পিচত তেওঁ শ্বিলঙত বইলাৰ চুপাৰিণ্টেণ্ডেণ্ট হৈছিল।

মোক তেনেকৈ সভা-সমিতি পাতি ফুৰিবলৈ দিবলৈ আইদেউতাৰ ইচ্ছা নাছিল। বিশেষকৈ এই কামত আয়ে বৰ হাক দিছিল। কিন্তু ককাইদেউৰ বৰ ইচ্ছা কোনো কাম-কাজ নকৰি মই যাতে দেশৰ সেৱাতে লাগো।

জীয়ৰী ছোৱালী এজনীয়ে মুকলিমূৰীয়াকৈ দেশৰ কামত ঘূৰি ফুৰা কথা সেই সময়ত কোনো অভিভাবকে অনুমোদন নকৰিছিল। আমাৰ পেহীদেৱে, যাৰ কথা মই পূৰ্ব্বতে উল্লেখ

কৰিছিলোঁ, আইক কলে যে তেওঁ মোৰ লগত সদায় যাব। দেশৰ কামত আত্মনিয়োগ কৰা ভাবৰ দ্বাৰা পেহীদেউ অনুপ্ৰাণিত হৈছিল।

পেহীদেৱে মোৰ লগত সদায় ফুৰিছিল। মাজেসময়ে ডিব্ৰুগড়ৰ গণেশ দত্তৰ পৰিবাৰো আমাৰ লগত গৈছিল।

অস্পৃশ্যতা বৰ্জ্জন কৰা মিটিঙত মই মহিলাসকলৰ ভিতৰত ডিব্ৰুগড়ৰ ঠায়ে ঠায়ে বক্তৃতা দিব লগাত পৰিছিল। সেই সময়ত মোৰ মনৰ অৱস্থা কেনেকুৱা হৈছিল মইহে বুজিছিলো। মই নিজেই সেই সময়ত সেই বিষয়ে উদাৰ হ'ব পৰা নাছিলো।

এদিন টেঙাখাট বোলা ডিব্ৰুগড়ৰ গাওঁ এখনত মহিলাৰ ভিতৰত মহাত্মাৰ বাণী প্ৰচাৰ কৰিবলৈ যাওঁতে বৰ বিপদৰ সন্মুখীন হব লগাত পৰিছিলোঁ।

আমি পুৱাবেলাতে সেই ঠাইত উপস্থিত হৈছিলো। এঘৰত সোমাই দেখিলো ২।৩ জনীমান গাভৰু তিৰোতাই তাঁত-বাতি কৰি আছিল। তেওঁবিলাকৰ ভিতৰত এগৰাকী বয়সীয়াল তিৰোতা আছিল। যেই মই সভাভুক্ত কৰা বহীখন উলিয়াই তেওঁবিলাকক সভ্য কৰিবলৈ অহা কথা কলো আৰু লগে লগে মহাত্মাৰ বাণীৰ বিষয়ে কবলৈ আৰম্ভ কৰিলো বয়সীয়াল তিৰোতাগৰাকীয়ে কলে, 'যাৰ যদি এতিয়াই ইয়াৰপৰা গুচি যা, নহলে (এখন দা দেখুৱাই কলে) এই দাৰেই ঘাপ মাৰি কাটি থম।" পেহীদেউ মোৰপৰা সামান্য দূৰত আছিল; মানুহজনীৰ কথা শুনি পেহীদেৱে আগবাঢ়ি আহি মোৰ গাত ধৰি কলে, 'আইটি গুচি আহা, নহলে ইহঁতে কাণ্ড বঢ়াব, ইহঁতৰ বিশ্বাস নাই।" ময়ো বুজিব পাৰিলো সিহঁতৰ অন্তৰত মহাত্মাৰ প্ৰতি বিশ্বাস জন্মাব পৰা সময় হোৱা নাই।

তিৰোতাসকলৰ ভিতৰত প্ৰথমে সূতাকটা কাপোৰবোৱা কেন্দ্ৰ এটা ডিব্ৰুগড়ৰ আমোলাপট্টিত খোলা হ'ল। ওচৰৰ তিৰোতাসকলে দুপৰীয়া খাই-বই উঠি তাত সূতা কাটিবলৈ

আহিবলৈ ধৰিলে। সেই ঘৰটো বিনা ভাড়াই ডিব্রুগড়ৰ স্বৰ্গীয় গোলাপ দুৱৰাই মহিলাৰ সূতাকটা কেন্দ্ৰ খুলিবৰ কাৰণে দিছিল।

ডিব্ৰুগড়ত সূতা কটাৰ কেবাটাও কেন্দ্ৰ খুলি দিয়া হ'ল। আগেয়ে যি তিৰোতাসকলে ঘৰৰ বাহিৰ নহৈছিল, মহাত্মাই অসমলৈ আহি সভা পতাৰ পিচৰেপৰা তেওঁবিলাকে বিনা দ্বিধাই সূতাকটা কেন্দ্ৰত যোগদান কৰিবলৈ অন্তৰত সাহ পালে। স্বাধীনতা লাভৰ অৰ্থে মহাত্মাৰ আন্দোলনত নিজক লগাব পাৰি তিৰোতাসকলে তেওঁবিলাকৰ বৰ সৌভাগ্য বুলি অনুভৱ কৰিছিল। সেই সময়ত বিশেষকৈ কলেজৰ লৰাই পঢ়া এৰি অসহযোগ আন্দোলনত যোগদান কৰিছিল। উকীলসকলে নিজৰ ওকালতি ব্যৱসায় এৰি দি আন্দোলনৰ কামত আত্মনিয়োগ কৰিছিল। কলিকতাৰপৰা স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈয়ে নিজৰ প্ৰেকটিচ এৰি আহি অসমত মহাত্মাৰ অসহযোগ আন্দোলনত যোগদান কৰিছিলহি। স্বৰ্গীয় তৰুণ ৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী, গোপীনাথ বৰদলৈ আদিয়েও গুৱাহাটীত নিজৰ নিজৰ প্ৰেকটিচ এৰি আন্দোলনত যোগদান কৰিছিল।

ঠায়ে ঠায়ে উকীলসকলে নিজৰ আইন ব্যৱসায় এৰি মহাত্মাৰ আন্দোলনত যোগদান কৰিলে। চৰকাৰী কাম কৰা মানুহৰ ভিতৰতো কিছুমানে কাম এৰি দি দেশৰ সেৱাত আত্মনিয়োগ কৰিলে।

ডিব্ৰুগড়ত ৰজনীকান্ত বৰুৱা, লক্ষেশ্বৰ বৰুৱা, প্ৰসন্ন কুমাৰ বৰুৱা, গণেশ দত্ত আদিয়ে কংগ্ৰেছ কমিটিৰ যোগে ৰাইজৰ মাজত মহাত্মাৰ বাণী প্ৰচাৰ কাৰ্য্যত যোগদান কৰিলে। অসহযোগ আন্দোলনত যোগদান কৰা সকলক চৰকাৰে ধৰি জেলত সুমুৱাবলৈ ধৰিলে। অসমৰ সকলো ঠাইৰ পৰা কংগ্ৰেছসেৱীক ধৰি নি জেলত থলেগৈ।